খৰি। কোনোমতে জ্বলিবৰ নাম নলয়। কিন্তু অভ্যাসৰ কাৰণে নীৰাৰ কোনো কষ্ট হোৱা নাই। ভনীয়েক কিন্তু ধোঁৱা সহ্য কৰিব নোৱাৰি পাকঘৰৰপৰা ওলাই বাৰাণ্ডা পালেগৈ। শেষত পাৰ মাংসৰ জালুকীয়া, কঁঠালগুটিৰে হাঁহ কণী ভজা, নেমু চেপি দিয়া মচুৰ দাইল আৰু বাৰীৰ মিচল ভাজিৰে বাঢ়ি দিয়া ভাতসাঁজ উদৰ পূৰাই খাই ভনীয়েকহঁত যাবলৈ ওলাল। তায়ো পদূলিলৈকে সিহঁতক আগবঢ়াই দি থৈ আহিলগৈ। সিহঁত যাবলৈ ওলাওঁতেহে তাইৰ মানুহজন স্কুলৰপৰা বিছ কিল'মিটাৰ ছাইকেল মাৰি আহি ঘৰ পালেহি। সিহঁতে ভিনিহিয়েকক আদৰুৱা মাত লগাই হিৰো হোণ্ডা মটৰ ছাইকেলত উঠি গুচি গ'ল।

ঘৰৰ ভিতৰ পায়েই মানুহজনৰ চকুত প্ৰশ্ন। নীৰাই বা আজি কিহেৰে ভাতসাঁজ খুৱালে। চাৰি মাহ দৰমহা নাপাই পীপা কাঢ়ি পেলোৱা মানুহজন কুঁৱাৰ চেঁচা পানীৰে গাটো তিয়াই ভাতৰ পাতত বহিলহি। মাংসৰ জোলৰ ৰঙচুৱা ৰংটো তেওঁৰ চকুলৈকে উজাই আহিল। তাই মানে ঘৰৰ পাৰহালকে মাৰি আলহী সুধিলে। এইযোৰ নোদোকা ক'লা পাৰ তাই মনবৰহঁতৰপৰা খুজি খুজি কিনি আনিছিল। ঘৰ ল'বলৈ লোৱা পাৰহালৰ মমতাত মানুহজনে তৰকাৰিৰ বাটিটো তেহেলৈ আঁতৰাই থৈ দাইলেৰেই ভাতকেইটা সানি খাই উঠি আহিল। কিন্তু কুঁৱাৰ পাৰত বহি জুঠা বাচন ধুই থকা মানুহজনীৰ ঘামে তিতা মুখখন চাই তেওঁ একো এষাৰ ক'ব নোৱাৰিলে। নিজৰ মাহে মাহে দৰমহা নোহোৱা চাকৰিটো আৰু চাকৰিটোৰে চপাই দিয়া প্ৰায় আঢ়ৈশ ল'ৰা-ছোৱালীৰ দায়িত্বই কোঙা কৰা মানুহজনে কাকো যে দোষ দিব নোৱাৰে।

পূজাৰ বন্ধত ল'ৰা-ছোৱালীহাল লৈ নীৰা মাকৰ ঘৰলৈ গ'ল। অসুখীয়া মাকজনীয়ে আজিকালি চকুৰে একোৱেই ভালকৈ নমনে। সেয়েহে তাই গৈয়েই মাকৰ ঘৰৰ চৰুটো ডিঙিত আঁৰি ল'ব লাগেগৈ। ল'ৰা-ছোৱালী দুটাক সম্পৰ্কীয় ভায়েক দুটাই পূজা দেখুৱাই ঘূৰাই ফুৰে। তায়ো আজৰি পায় আৰু মোমায়েক দুটায়ো ভাগিনীয়েকহঁতক ফুৰাই ভাল পায়। দশমীৰ পাছদিনাই খুৰায়েকহঁতৰ পিছফালৰ বাৰাণ্ডাত খুদচাউল এচৰীয়া লৈ তাই পিঠাগুৰি অলপ খুন্দিবলৈ গ'ল। ঘৰলৈ ওভতাৰ আগতে মাকহঁতে খাব পৰাকৈ পিঠাগুৰি এচালনীমান খুন্দি ৰ'দাই থৈ যাব পাৰিলে ভাল। তেতিয়া যেতিয়াই মন যায় ভনীয়েকে পিঠা ভাজিবলৈ সুবিধা পাব। ঢেঁকীৰ খুবলিত খুদচাউল ঢালিবলৈ লওঁতেই খুৰীয়েকে আথে-বেথে ৰঙা চাহৰ লগত কুকিজ বিস্কুট এটা আগবঢ়াই দি সুধিলে—

"আইজনী, তই দুদিনমান থাকিবি নহয় ন?"

"নহয় অ' খুৰীদেউ। মই পৰহিলৈ যামগৈ। দেউতাই থৈ আহিবগৈ।"

"আজি ৰাতিৰ ভাতসাঁজ নাতি দুটাৰ সৈতে তই ইয়াতে খাবি দে।"

"হ'ব দিয়ক। কিন্তু তাৰ আগতে মই মাহঁতলৈ ভাত ৰান্ধি থৈ আহিব লাগিব।"

"কিমাননো চিন্তা কৰি থাক অ' আই। ভনীয়েৰলৈও অলপ কাম এৰিবি। তায়ো এতিয়া ডাঙৰ হৈছে নহয়।"

"পৰহিলৈ মই গুচি যোৱাৰ পাছত সব দেখোন তাইৰ মূৰতে পৰিব খুৰীদেউ।"

"হয় দে। ৰ'চোন ৰ' তোক কথা এটা সোধোঁ।"

"কিনো?"

"তই আকৌ বেয়া নাপাবি।"

"কি যে কয় আপুনি। সোধকচোন কি কথা?"

"সিদিনা আমাৰ ডাঙৰ ককাইদেউহঁতৰ ৰজনী আৰু জোঁৱাই তহঁতৰ তালৈ গৈছিল নেকি?"

"অ' অ' আহিছিল।"

"তই ভালকৈ সোধা-পোছা নকৰিলি নেকি আইজনী?"

"কি কয় খুৰীদেউ! পুহিবলৈ অনা ঘৰৰ পাৰযোৰকে মাৰি ভাত খুৱাই পঠাইছোঁ মই।"

"জোঁৱায়ে কি কৈ ফুৰিছে জান?"

"কি কৈছে?"

"এপোৱা মিঠাতেল কিনা মানুহহে বোলে। মাষ্টৰ জোঁৱায়েক পাইছে বুলি যহাই ফুৰিলে কিডাল হ'ব!"

"এনেকৈ কৈছেনে?"

নীৰাৰ হাতখন খুবলিতে ৰৈ গ'ল। "এই চাবি চাবি" বুলি খুৰীয়েকে ভাগ্যেহে ঢেঁকীৰ চাবটো তাইৰ হাততে নেপেলালে। পুহিবলৈ অনা পাৰহালৰ চকু দুটা তাইৰ চকুত পুনৰ জিলিকি উঠিল। তাই সেইদিনাও মাংসৰে ভাত গিলিবলৈ লওঁতে ডিঙিত লাগি ধৰিছিল আৰু আজিও কুকিজ বিস্কুটটো ডিঙিত লাগি ধৰিছে। ঢেঁকীৰ চাববোৰ যেন তাইৰ বুকুতেই পৰিছে।

নীৰাই অভাৱ-অভিযোগ নকৰাকৈ বুকুত হুমুনিয়াহ নিচুকাই ৰাখিবলৈ সৰুতেই শিকি আহিছে। তাই এতিয়াও মৌন। মাজে মাজে দুচকুত ভৰ দিয়া চকুপানীখিনিৰ বাহিৰে নিজৰ বুলিবলৈ তাইৰ আগৰপৰাই একো নাছিল। আতোল-তোলকৈ ডাঙৰ কৰা ল'ৰা-ছোৱালীহাল, স্পষ্টবাদী গিৰিয়েকটো, সংসাৰৰ হাজাৰটা লেঠা আৰু জোৰা-টাপলি মাৰি চলাবলগীয়া মাহটোৰ হিচাপতে তাইৰ মন-মগজুৰ গতি চলি থাকে। আনৰ বিলাসিতাই তাইক চুবহি নোৱাৰে। আচলতে বিলাসিতাক চুবলৈকে তাই নিদিয়ে। সৰু পৰিয়ালটোৰ মৰমে তাইক যে বুকু ভৰাই ৰাখে।

নীৰাৰ দীঘল চুলিবোৰ অলপ অলপ পকিছে। সেয়ে তাই দোকানৰপৰা আজি ছুপাৰ ভাছমলৰ পেকেট এটা কিনি আনিছে। আন নহ'লেও নিজৰ ক'লা ঘন চুলিখিনিৰ তাই বৰ যত্ন লয়। বিশেষ একো বিশেষত্ব নথকা মানুহজনীয়ে ঘৰখন ধৰি আজি অত বছৰে খাই আছে। আনলৈ বুলি পাকঘৰৰ চৌকাত চৰু পাতোঁতে নিজৰ পছন্দ-অপছন্দ পাহৰি যোৱা মানুহজনীক বুকুত সাবটি যেতিয়া তাইৰ মানুহজনে সুনীল গাংগুলীৰ বাংলা কবিতা আওৰায়, তাই বুকুতে কুঁচি-মুচি সোমাই পৰে।

"যেখানেই যাও, যেভাবেই থাক, না থাকলেও দূর
থেকে ধ্বনি তুলো
ভালবাসি, ভালবাসি, ভালবাসি ...
দূর থেকে শুনব তোমার কণ্ঠস্বর, বুঝব
তুমি আছ, তুমি আছ
ভালবাসি, ভালবাসি ..."

নীৰাই মানুহজনৰ বুকুত মৰমেৰে হাত ফুৰাই দিলে। এনেদৰেই কবিতা মাতি মাতি তাইক মৰমেৰে সাবটি মানুহজনে সদায় তাইৰ দীঘল বেণীডাল লিৰিকি-বিদাৰি থাকে। নীৰাই জানে বহু কথা যিবোৰ মানুহজনে কোনোদিন তাইক কোৱা নাই। হয়তো ৰঙা চকুৰ খঙাল মানুহজনে কোনোদিন তাইৰ সন্মুখত নক'বও। মাত্ৰ বিয়াৰ কেইমাহমানৰ পাছতে ন ছোৱালীক ভাত এসাঁজ খাবলৈ মাতোঁতে নবৌৱেকে এষাৰ কথা কৈছিল "আমাৰ ডম্বৰুৱেহে তোমাৰ কথা আমাক কৈছিল। কি কৈছিল জানা, ছোৱালীজনীৰ চুলিখিনি বৰ ধুনীয়া। ডম্বৰুৱে তোমাতকৈ আগতে বোলে তোমাৰ বেণীডালহে দেখিছিল।" কথাটো মনত পৰিলেই তাইৰ চুলিত মৰমেৰে আঙুলি বোলাই থকা ৰঙা চকুৰ দুৰ্বাসা মানুহজনলৈ সদায়ৰ দৰেই কিয় জানো হঠাতে বৰ মৰম লাগি যায়।

ঠিকনা ঃ শিক্ষয়িত্ৰী, যুগল উচ্চ মাধ্যমিক বিদ্যালয়, ঘটুৱা-৭৮৪১৪৯, তেজপুৰ,
ফোন ঃ ৬০০২৯৪৮৯২৫
e-mail : ninkuneog@gmail.com